# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 13-05-2024
**Time :** 1845 Hrs

## *Assamese Evening Bulletin*
### *HEADLINES*

\- - - - - - -

১। দেশৰ ১০খন ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ মুঠ ৯৬টা সমষ্টিত লোকসভা নিৰ্বাচনৰ চতুৰ্থ পৰ্যায়ৰ ভোটগ্ৰহণ প্ৰক্ৰিয়াৰ সামৰণি। দিনৰ ৫ বজা পৰ্যন্ত সমগ্ৰ দেশত ৬২ দশমিক ৩-১ শতাংশৰো অধিক ভোটদান সম্পন্ন।

২। কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ উপস্থিতিত ইণ্ডিয়া প'ৰ্ট গ্লোবেল লিমিটেড আৰু ইৰাণৰ বন্দৰ আৰু সামুদ্ৰিক সংস্থাৰ মাজত চাবাহাৰৰ ছাহিদ বেহেস্তি বন্দৰৰ দীৰ্ঘম্যাদী পৰিচালনা সন্দৰ্ভত চুক্তি স্বাক্ষৰ।

৩। কু-সংস্কাৰ আৰু অন্ধ বিশ্বাসৰ বিৰুদ্ধে আজীৱন যুঁজ দিয়া, পদ্মশ্ৰী সন্মানেৰে সন্মানিত বিৰুবালা ৰাভাৰ ৰাষ্ট্ৰীয় মৰ্যাদাৰে শেষকৃত্য সম্পন্ন।

৪। চেণ্ট্ৰেল ব'ৰ্ড অব ছেকেণ্ডাৰী এডুকেশ্যন চমুকৈ চি বি এছ ইৰ দশম আৰু দ্বাদশ শ্ৰেণীৰ চূড়ান্ত পৰীক্ষাৰ ফলাফল ঘোষণা।

**আৰু**

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ আজি খেলত কলকাতা নাইট ৰাইদাৰ্চ্ গুজৰাট টাইটানছৰ বিৰুদ্ধে অৱতীৰ্ণ।

ooooo

দেশৰ ১০খন ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ মুঠ ৯৬টা সমষ্টিত আজি পুৱা ৭ বজাৰে পৰা লোকসভা নিৰ্বাচনৰ চতুৰ্থ পৰ্যায়ৰ ভোটগ্ৰহণ প্ৰক্ৰিয়াৰ সামৰণি পৰিছে। দেশৰ নিৰ্বাচন আয়োগে প্ৰকাশ কৰা শেহতীয়া তথ্য অনুসৰি দিনৰ ৫ বজা পৰ্যন্ত সমগ্ৰ দেশত ৬২ দশমিক ৩-১ শতাংশৰো অধিক ভোটদান সম্পন্ন হৈছে। অন্ধ্ৰ প্ৰদেশত ৬৮ শতাংশৰ অধিক, বিহাৰত ৫৪ শতাংশৰ অধিক, জম্মু-কাশ্মীৰত প্ৰায় ৩৬ শতাংশ, ঝাৰখণ্ডত ৬৩ দশমিক ১-৪, মধ্যপ্ৰদেশত ৬৮ শতাংশ, মহাৰাষ্ট্ৰত ৫২ দশমিক ৪-৯, ওড়িশাত ৬২ দশমিক ৯-৬, তেলেংগানাত ৬১ দশমিক ১-৬, উত্তৰ প্ৰদেশত ৫৬ দশমিক ৩-৫ আৰু পশ্চিম বংগত ৭৫ দশমিক ৬-৬ শতাংশ ভোটদান হোৱাৰ তথ্য পোৱা গৈছে। নিৰ্বাচন আয়োগে ভোটদানৰ হাৰ বৃদ্ধিৰ উদ্দেশ্যে তেলেংগানাত ১৭টা সংসদীয় সমষ্টিৰ ঠাই বিশেষে ভোটদানৰ সময় বৃদ্ধি কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে। আজি ভোটগ্ৰহণ  হোৱা ৯৬টা সমষ্টিৰ ভিতৰত অন্ধ্ৰ প্ৰদেশৰ ২৫টা, তেলেংগানাৰ ১৭টা, উত্তৰ প্ৰদেশৰ ১৩টা, মহাৰাষ্ট্ৰৰ ১১টা, মধ্যপ্ৰদেশ আৰু পশ্চিমবংগৰ ৮টাকৈ, বিহাৰৰ ৫টা, ওড়িশা আৰু ঝাৰখণ্ডৰ ৪টাকৈ আৰু কেন্দ্ৰীয় শাসিত অঞ্চল জম্মু-কাশ্মীৰৰ এটা সমষ্টি আছে। এই পৰ্যায়ৰ বাবে মুঠ এহেজাৰ ৭১৭ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে। লোকসভাৰ চতুৰ্থ পৰ্যায়ৰ সমান্তৰালভাৱে অন্ধ্ৰপ্ৰদেশৰ ১৭৫ জনীয়া বিধানসভাৰ আটাইকেইখন

আসন আৰু ওড়িশা বিধানসভাৰ ১৪৭ খন আসনৰ ২৮ খনৰ বাবে ভোটগ্ৰহণ কৰা হৈছে। শোহতীয়া তথ্য অনুসৰি অন্ধ্ৰ প্ৰদেশত ৬৮ শতাংশ আৰু ওড়িশাত ৬৩ শতাংশ ভোটগ্ৰহণ হৈছে।

চতুৰ্থ পৰ্যায়ৰ নিৰ্বাচনত কেইবাগৰাকী প্ৰভাৱশালী প্ৰাৰ্থীৰ ৰাজনৈতিক ভাগ্য ইভিএমত বন্দী হৈছে। ইয়াৰ ভিতৰত উত্তৰ প্ৰদেশৰ প্ৰাক্তন মুখ্যমন্ত্ৰী অখিলেশ যাদৱ অন্যতম। সমাজবাদী পাৰ্টিৰ জ্যেষ্ঠ নেতাগৰাকীয়ে কনৌজ সমষ্টিৰ পৰা প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে। শ্ৰীযাদৱৰ বিৰুদ্ধে বিজেপিয়ে বৰ্তমানৰ সাংসদ সুব্ৰত পাঠকে প্ৰতিদ্বন্দ্বিতা কৰিছে।

একেদৰে, তৃণমূল কংগ্ৰেছৰ নেত্ৰী মহুৱা মৈত্ৰৰ ভাগ্যও এই পৰ্যায়ত নিৰ্ণয় হ'ব। পশ্চিম বংগৰ কৃষ্ণনগৰ সমষ্টিৰ পৰা প্ৰতিদ্বন্দ্বিতা আগবঢ়োৱা শ্ৰীমৈত্ৰৰ বিৰুদ্ধে বিজেপি প্ৰাৰ্থী ৰাজমাতা অমৃতা ৰয় অৱতীৰ্ণ হৈছে। অভিনয় জগতৰ পৰা ৰাজনীতিত খোজ দিয়া শত্ৰুঘ্ন সিনহাইও তৃণমূল কংগ্ৰেছৰ পৰাই আছানচোল সমষ্টিত প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে। পশ্চিম বংগৰ বেৰহামপুৰ সমষ্টিত প্ৰভাৱশালী বিজেপি প্ৰাৰ্থী নিৰ্মল কুমাৰৰ বিৰুদ্ধে কংগ্ৰেছ প্ৰাৰ্থী অধীৰ ৰঞ্জন চৌধুৰী আৰু তৃণমূল কংগ্ৰেছৰ নেতা ইউচুফ পাঠান অৱতীৰ্ণ হৈছে।

কেন্দ্ৰীয় মন্ত্ৰী তথা ঝাৰখণ্ডৰ প্ৰাক্তন মুখ্যমন্ত্ৰী অৰ্জুন মুণ্ডাৰ ভাগ্যও আজি ইভিএমত বন্দী হৈছে। শ্ৰীমুণ্ডাই ঝাৰখণ্ডৰ খুমটি সমষ্টিৰ পৰা প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে। আনহাতে, বিহাৰৰ বেগুচৰাই সমষ্টিত কেন্দ্ৰীয় মন্ত্ৰী গিৰিৰাজ সিঙে প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে।

অন্ধ্ৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী ওৱাই এছ জগনৰেড্ডীৰ ভগ্নী ওৱাই এছ শৰ্মিলাই অন্ধ্ৰ প্ৰদেশৰ কড়াপ্পা সমষ্টিৰ পৰা কংগ্ৰেছ দলৰ হৈ প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে। আনহাতে, তেলেংগানাত হায়দৰাবাদ সমষ্টিৰ পৰা তেলেগু অভিনেত্ৰী মাধৱীলতাই বিজেপিৰ হৈ প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে।

উল্লেখযোগ্য যে পঞ্চম পৰ্যায়ত ২০ মে'ত ৪৯টা লোকসভা সমষ্টি, ২৫ মে'ত ষষ্ঠ পৰ্যায়ত ৫৭টা আৰু সপ্তম পৰ্যায়ত ১ জুনত আৰু ৫৭টা লোকসভা সমষ্টিৰ বাবে ভোটগ্ৰহণ অনুষ্ঠিত হ'ব। অহা ৪ জুনত নিৰ্বাচনৰ ফলাফল ঘোষণা কৰা হ'ব।

ooooo

দেশৰ লোকসভা নিৰ্বাচনৰ পৰৱৰ্তী তিনিটা পৰ্যায়ৰ বাবে বাকী থকা সমষ্টিসমূহত ৰাজনৈতিক দলসমূহে নিজ নিজ প্ৰচাৰ অভিযান পূৰ্ণগতিত অব্যাহত ৰাখিছে। প্ৰধানমন্ত্ৰী তথা জ্যেষ্ঠ বিজেপি নেতা নৰেন্দ্ৰ মোদীয়ে আজি উত্তৰ প্ৰদেশৰ বাৰাণসীত এটা ৰোড শ্ব'ত অংশ লয়। প্ৰধানমন্ত্ৰীৰ সৈতে উত্তৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী যোগী আদিত্যনাথ উপস্থিত থাকে। এই সমষ্টিটোৰ পৰা প্ৰধানমন্ত্ৰীয়ে কাইলৈ মনোনয়ন দাখিল কৰিব। ইয়াৰ আগেয়ে প্ৰধানমন্ত্ৰীয়ে মুজাফ্‌ফৰপুৰ, হাজিপুৰ আৰু চাৰণত ৰাজহুৱা সভাত অংশ লৈ ৰাজ্যবাসীক দেশৰ উন্নয়নৰ বাবে ভোটদান কৰিবলৈ আহ্বান জনায়। প্ৰধানমন্ত্ৰীগৰাকীয়ে কয় যে এন ডি এৰ শাসনকালত ভাৰতীয় অৰ্থনীতিৰ দ্ৰুত বিকাশ হোৱাৰ লগতে নিয়োগৰ সুবিধা বৃদ্ধি হৈছে। তেওঁ তোষামোদৰ ৰাজনীতিক আহিলা হিচাপে লোৱা বুলি আৰ জে ডি আৰু কংগ্ৰেছ দলক সমালোচনা কৰে। আনফালে বিজেপিৰ জ্যেষ্ঠ নেতা অমিত শ্বাহে আজি মহাৰাষ্ট্ৰৰ ধূলে আৰু পালঘৰ জিলাত নিৰ্বাচনী সমাৱেশত অংশ লয়। তেওঁ এন ডি এ চৰকাৰে জনসাধাৰণৰ কল্যাণৰ বাবে বিশেষকৈ জনজাতীয় লোকসকলৰ উন্নয়নৰ বাবেন গ্ৰহণ কৰা আঁচনিসমূহৰ বিষয়ে উল্লেখ কৰে।

মূল বিৰোধী দল কংগ্ৰেছৰ সভাপতি মল্লিকাৰ্জুন খাৰ্গেও আজি ঝাৰখণ্ডত দুখন নিৰ্বাচনী সভা সম্বোধন কৰে। উত্তৰ প্ৰদেশৰ ৰায়বৰেলীত কংগ্ৰেছ নেতা ৰাহুল গান্ধীয়ে আজি এখন জনসভাত অংশ লৈ দিয়া ভাষণত

কংগ্ৰেছ নেতৃত্বাধীন বিৰোধী মিত্ৰজোঁট ক্ষমতালৈ আহিলে দৰিদ্ৰ কৃষকসকলৰ ঋণ ৰেহাই দিয়া হ'ব বুলি জানিবলৈ দিয়ে। দলৰ নেত্ৰী প্ৰিয়ংকা গান্ধীয়েও আজি আমেথিত নিৰ্বাচনী প্ৰচাৰ সভাত অংশ লয়।

ooooo

কেন্দ্ৰীয় বন্দৰ জাহাজ আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি চৰকাৰী কাৰ্যসূচীৰে ইৰাণত উপস্থিত হয়। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীৰ উপস্থিতিত ইণ্ডিয়া প'ৰ্ট গ্লোবেল লিমিটেড আৰু ইৰাণৰ বন্দৰ আৰু সামুদ্ৰিক সংস্থাৰ মাজত চাবাহাৰৰ ছাহিদ বেহেস্তি বন্দৰৰ দীৰ্ঘম্যাদী পৰিচালনা সন্দৰ্ভত চুক্তি স্বাক্ষৰ হয়। এই চুক্তিয়ে চাবাহাৰৰ সৈতে ভাৰতৰ দীৰ্ঘম্যাদী যোগসূত্ৰৰ ভেঁটি স্থাপন কৰিব বুলি শ্ৰীসোণোৱালে উল্লেখ কৰে। তেওঁ লগতে এই চুক্তি স্বাক্ষৰৰ ফলত চাবাহাৰ বন্দৰৰ কাৰ্যক্ষমতাৰ ওপৰত প্ৰভাৱ পৰিব বুলিও কয়। চাবাহাৰ ভাৰতৰ ওচৰত থকা বন্দৰ হোৱাৰ লগতে নৌক্ষেত্ৰৰ দৃষ্টিকোণৰ পৰা উৎকৃষ্ট বুলি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। এই চুক্তিয়ে দেশ দুখনৰ দ্বিপাক্ষিক সম্পৰ্কৰ ক্ষেত্ৰত নতুন অধ্যায়ৰ সূচনা কৰিব বুলি বৈদেশিক মন্ত্ৰ্যালয়ৰ মুখপাত্ৰ ৰনধীৰ জয়ছোৱালে সামাজিক মাধ্যমযোগে প্ৰকাশ কৰিছে। ইয়াৰ লগতে এই চুক্তিয়ে আফগানিস্তান, মধ্য এছিয়া আৰু ইউৰেছিয়াৰ সৈতে ভাৰতৰ সংযোগ স্থাপনতো সহায় কৰিব বুলি তেওঁ কয়। উল্লেখযোগ্য যে এই চুক্তিৰ জৰিয়তে ভাৰতে ওমান উপসাগৰৰ কাষত ইৰাণৰ উপকূলত অৱস্থিত চাবাহাৰ বন্দৰ লীজত ল'ব পাৰিব। ইয়াৰ উপৰি কৰাচীৰ লগতে পাকিস্তানৰ গোৱাডাৰ বন্দৰ হৈ দক্ষিণ এছিয়া আৰু মধ্য এছিয়াৰ সৈতে বাণিজ্যিক সম্পৰ্ক স্থাপন কৰোতে সহায় কৰিব।

ooooo

কু-সংস্কাৰ আৰু অন্ধ বিশ্বাসৰ বিৰুদ্ধে আজীৱন যুঁজ দিয়া বিৰুবালা ৰাভাই আজি পুৱা গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালত শেষ নিশ্বাস ত্যাগ কৰে। তেওঁক কেন্দ্ৰীয় চৰকাৰে ২০২১ চনত দেশৰ চতুৰ্থ অসামৰিক সন্মান পদ্মশ্ৰী বঁটাৰে সন্মানিত কৰিছিল। সমাজত প্ৰচলিত কু-সংস্কাৰ, ডাইনী প্ৰথাৰ বিৰুদ্ধে দুই দশকৰো অধিক কাল যুঁজ দি অহা বিৰুবালা ৰাভা সমাজৰ একাংশ লোকৰ অন্যায়ৰ বলি হোৱা নিৰীহ লোকসকলৰ বাবে **সাহৰ শিখা, সকাহৰ অন্য নাম** আছিল। ১৯৫৪ চনত গোৱালপাৰা জিলাৰ ঠাকুৰভিলাত জন্মগ্ৰহণ কৰা এইগৰাকী প্ৰগতিকামী মহিলাই সমাজত প্ৰচলিত কু-সংস্কাৰৰ বিৰুদ্ধে সচেতনতা সৃষ্টিৰ বাবে আজীৱন প্ৰচেষ্টা চলাইছিল।

আজি বিয়লি ৰাভাৰ নশ্বৰদেহ বাসগৃহলৈ অনাৰ পথত দুধনৈৰ পৰিদৰ্শন বঙলাত ৰাভা-হাছং স্বায়ত্ত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য টংকেশ্বৰ ৰাভাৰ লগতে বিভিন্ন দল-সংগঠনৰ প্ৰতিনিধিয়ে শেষ শ্ৰদ্ধা জ্ঞাপন কৰে। ৰাজহুৱা শশ্মানত অসম চৰকাৰৰ হৈ মন্ত্ৰী জয়ন্ত মল্ল বৰুৱা আৰু গোৱালপাৰা জিলাৰ আয়ুক্ত খনীন্দ্ৰ চৌধুৰীয়ে তেওঁক শেষ শ্ৰদ্ধা জনায়। ইয়াৰ পাছতে ৰাষ্ট্ৰীয় মৰ্যাদাৰে তেওঁৰ শেষকৃত্য সম্পন্ন কৰা হয়।

মুখ্যমন্ত্ৰী ডাঃ হিমন্ত বিশ্ব শৰ্মাই বিৰুবালা ৰাভাৰ বিয়োগত গভীৰ শোক প্ৰকাশ কৰিছে। কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালেও বিৰুবালা ৰাভাৰ বিয়োগ অসমৰ সমাজ জীৱনৰ বাবে অপূৰণীয় ক্ষতি বুলি সামাজিক মাধ্যম যোগে শোকবাৰ্তা প্ৰেৰণ কৰিছে। মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসেও বিৰুবালা ৰাভাৰ বিয়োগত গভীৰ শোক প্ৰকাশ কৰে। এ আই ইউ ডি এফ দলৰ সভাপতি মৌলানা বদৰুদ্দিন আজমলে ৰাভাৰ বিয়োগত শোকপ্ৰকাশ কৰি এয়া আমাৰ সমাজৰ বাবে অপূৰণীয় ক্ষতি বুলি মন্তব্য কৰে।

ooooo

বিশ্ব ঐতিহ্যক্ষেত্ৰ কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান অহা ৩১ মে'ৰ পৰা দেশী-বিদেশী পৰ্যটকৰ বাবে বন্ধ কৰা হ'ব। পূৰ্বে উদ্যান কৰ্তৃপক্ষই ১৫ মে'ত ৰাষ্ট্ৰীয় উদ্যানখনৰ জীপ চাফাৰী বন্ধ কৰাৰ বাবে নিৰ্দেশনা জাৰি

কৰিছিল যদিও পাছত পৰ্যটকৰ আগমনৰ প্ৰতি লক্ষ্য ৰাখি ৩১ মে’ পৰ্যন্ত এই সময়সীমা বৃদ্ধি কৰা হয়। ইতিমধ্যে যোৱা পহিলা মে’ৰ পৰা উদ্যানখনত হাতী চাফাৰী বন্ধ কৰি দিয়া হৈছে। উল্লেখযোগ্য যে ২০২৩-২৪ পৰ্যটন বৰ্ষত কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানে পূৰ্বৰ সকলো অভিলেখ ভংগ কৰিবলৈ সক্ষম হয়। এই পৰ্যটন বৰ্ষটোত বৰ্তমানলৈকে ৩০ হাজাৰ ৯১৯ গৰাকী বিদেশী পৰ্যটককে ধৰি ৩ লাখ ২৭ হাজাৰ ৪৯০ গৰাকী পৰ্যটকে কাজিৰঙা ভ্ৰমণ কৰাৰ তথ্য লাভ কৰা হৈছে। এই সময়ছোৱাত উদ্যান কৰ্তৃপক্ষই ৮ কোটি ৮০ লাখ টকাৰ ৰাজহ লাভ কৰিছে।

আনহাতে, মানাহ ৰাষ্ট্ৰীয় উদ্যানতো পৰ্যটকৰ বাবে অহা ২০ মে’ৰ পৰা হাতী চাফাৰী আৰু ৰিভাৰ ৰাফ্‌টিং বন্ধ থাকিব বুলি উদ্যান কৰ্তৃপক্ষই প্ৰকাশ কৰিছে। অৱশ্যে জীপ চাফাৰী অহা ৫ জুনলৈকে খোলা থাকিব।

ইফালে, ওৰাং ৰাষ্ট্ৰীয় উদ্যানো অহা ১৫ মে’ৰ পৰা পৰ্যটকৰ বাবে বন্ধ ঘোষণা কৰা হৈছে।

ooooo

চেণ্ট্ৰেল ব’ৰ্ড অব ছেকেণ্ডাৰী এডুকেশ্যন চমুকৈ চি বি এছ ইয়ে দশম আৰু দ্বাদশ শ্ৰেণীৰ চূড়ান্ত পৰীক্ষাৰ ফলাফল ঘোষণা কৰিছে। চি বি এছ ইয়ে প্ৰকাশ কৰা তথ্য অনুসৰি দশম শ্ৰেণীৰ পৰীক্ষাৰ উত্তীৰ্ণৰ হাৰ ৯৩ দশমিক ৬-০ শতাংশ। ছাত্ৰীৰ উত্তীৰ্ণৰ হাৰ ৯৪ দশমিক ৭-৫ শতাংশ হোৱাৰ বিপৰীতে ছাত্ৰৰ উত্তীৰ্ণ হাৰ ৯২ দশমিক ৭-১ শতাংশ। চি বি এছ ইৰ দশম শ্ৰেণীৰ ফলাফলত উত্তীৰ্ণ হাৰ বিগত বৰ্ষতকৈ শূন্য দশমিক ৪-৮ শতাংশ বৃদ্ধি পাইছে। আনহাতে দ্বাদশ শ্ৰেণীৰ চূড়ান্ত পৰীক্ষাৰ উত্তীৰ্ণৰ হাৰ ৮৭ দশমিক ৯-৮ শতাংশ। এই হাৰ যোৱা বছৰতকৈ দশমিক ৬-৫ শতাংশ বৃদ্ধি পোৱা বুলি ব’ৰ্ডে এটা বিবৃতি যোগে জনাইছে। ২৪ হাজাৰতকৈ অধিক পৰীক্ষাৰ্থীয়ে ৯৫ শতাংশতকৈ অধিক নম্বৰ লাভ কৰিছে আৰু এক লাখ ১৬ হাজাৰতকৈ অধিক পৰীক্ষাৰ্থীয়ে ৯০ শতাংশতকৈ অধিক নম্বৰ লাভ কৰিছে। পৰীক্ষাত সফলতা অৰ্জন কৰা শিক্ষাৰ্থীসকলক প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সামাজিক মাধ্যমযোগে অভিনন্দন জ্ঞাপন কৰিছে। উল্লেখযোগ্য যে, এই বৰ্ষত প্ৰায় ৩৯ লাখ ছাত্ৰ-ছাত্ৰীয়ে দশম আৰু দ্বাদশ শ্ৰেণীৰ পৰীক্ষাত অৱতীৰ্ণ হৈছিল।

ooooo

কেন্দ্ৰৰ গ্ৰামোন্নয়ন মন্ত্ৰালয়ৰ অধীনত ভূমি সম্পদ বিভাগৰ নিৰ্দেশ অনুসৰি ৰাজ্যিক পৰ্যায়ৰ ন’ডেল অভিকৰণ, প্ৰধানমন্ত্ৰী কৃষি সিঞ্চন যোজনা, ভূমি সংৰক্ষণ বিভাগ, ৰাজ্য চৰকাৰ আৰু অসম কৃষি বিশ্ববিদ্যালয়ৰ মাজত প্ৰথমবাৰৰ বাবে ভূমি সম্পদৰ তথ্য প্ৰস্তুত কৰাৰ বাবে চুক্তি স্বাক্ষৰ হয়। উল্লেখযোগ্য যে, ভৱিষ্যতে ভূমি ব্যৱহাৰৰ বাবে বিশেষকৈ কৃষিৰ পৰিকল্পনাৰ বাবে বৈজ্ঞানিক ভিত্তিত তথ্য প্ৰদানৰ ক্ষেত্ৰত ভূমি সম্পদৰ তথ্যৰ অধ্যয়ন কৰাটো গুৰুত্বপূৰ্ণ বিবেচিত হৈছে। ৫টা ভৌতিক কাৰক শিল, মাটি, ঢাল, খহনীয়াৰ প্ৰকাৰ, তীব্ৰতা আৰু গছ-গছনিৰ ওপৰত ভিত্তি কৰি এই অধ্যয়ন সম্পন্ন কৰা হৈছে। ভূমি সম্পদৰ তথ্যই নিৰ্দিষ্ট ভৌগোলিক স্থানৰ বৃহৎ স্কেলৰ বিভিন্ন মানচিত্ৰ প্ৰস্তুত কৰি ইয়াৰ বিতৰণ আৰু পৰিসৰ নিৰ্ধাৰণ কৰাত সহায় কৰিব।

ooooo

দুৰ্নীতি নিৰীক্ষণ আৰু নিবাৰক সঞ্চালকালয়ে উৎকোচ লোৱা অৱস্থাত জনস্বাস্থ্য কাৰিকৰী বিভাগৰ লখিমপুৰৰ কাৰ্যবাহী অভিযন্তা জয়ন্ত গোস্বামীক আজি গুৱাহাটীৰ এখন হোটেলৰ পৰা গ্ৰেপ্তাৰ কৰে। গুৱাহাটীৰ হেঙেৰাবাৰীৰ এজন লোকৰ পৰা বিলৰ ধন মোকলাই দিয়াৰ নামত ২০ হাজাৰ টকা উৎকোচ লওঁতেই পূৰ্বৰ

পৰা খাপ পিতি থকা তদন্তকাৰী দলে অভিযন্তা গোস্বামীক হাতে-লোটে কৰায়ত্ত কৰিবলৈ সমৰ্থ হয়। ইয়াৰ পাছত তদন্তকাৰী দলে অভিযুক্তৰ হেঙেৰাবাৰীৰ বাসগৃহত অভিযান চলাই প্ৰায় ৮০ লাখ টকা উদ্ধাৰ কৰে।

ooooo

সাহিত্যিক ৰঞ্জু হাজৰিকাক তেজপুৰৰ নন্দন কানন সংগীত বিদ্যালয়ৰ ২০২৩-২৪ বৰ্ষৰ কৰ্মবীৰ চন্দ্ৰনাথ শৰ্মা বঁটাৰে সন্মানিত কৰা হৈছে। বিহুগুৰিৰ টুমুকীৰ নন্দন কানন ৰঙালী বিহু উদযাপন সমিতিৰ উদ্যোগত আয়োজিত ৰঙালী বিহু সন্মিলনত সাহিত্যিকগৰাকীক এই বঁটা প্ৰদান কৰা হয়। এই বঁটাত আছে মানপত্ৰ, ফুলাম গামোচা, জাঁপি, চেলেং, স্মাৰক আৰু ২০ হাজাৰ টকা। উল্লেখযোগ্য যে ২০১৪ চনৰ পৰা অসমীয়া ভাষা সাহিত্য, সংস্কৃতি আৰু সমাজলৈ বৰঙণি আগবঢ়োৱা বিশিষ্ট ব্যক্তিক এই বঁটা প্ৰদান কৰি অহা হৈছে।

ooooo

কোকৰাঝাৰ জিলাৰ শক্তি আশ্ৰমত আজি কোচ-ৰাজবংশী জনগোষ্ঠীৰ কৃষিপ্ৰধান বিষুৱা উৎসৱ উদযাপন কৰা হয়। আজি পুৱাৰ ভাগত পতাকা উত্তোলন, শ্বহীদ তৰ্পণ, গছপুলি ৰোপণ আদিৰ লগতে বিভিন্ন খেল-ধেমালি অনুষ্ঠিত হয়। বিয়লিৰ ভাগত নৃত্য-প্ৰতিযোগিতা আৰু সাংস্কৃতিক কাৰ্যসূচী গ্ৰহণ কৰা হয়। কাইলৈ সাংস্কৃতিক সন্ধিয়াত জনপ্ৰিয় শিল্পীয়ে সংগীতানুষ্ঠান পৰিৱেশন কৰিব।

ooooo

দৰং জিলাৰ দেওমৰনৈ স্নাতক মহাবিদ্যালয়ৰ প্ৰাংগণত আজি মহাবিদ্যালয়খনৰ মহিলা কোষৰ উদ্যোগত আৰু দৰং কৰ্কট কেন্দ্ৰৰ সহযোগত স্তনৰ কৰ্কট ৰোগ সম্পৰ্কত এখন সজাগতা সভা অনুষ্ঠিত হয়। এই সভাত দৰং কৰ্কট কেন্দ্ৰৰ অধীক্ষক ডাঃ চৈয়দ ইফটিকাৰ চোভানীয়ে ধঁপাতৰ অপকাৰিতা সম্পৰ্কে অৱগত কৰাৰ লগতে ইয়াৰ পৰা কৰ্কট ৰোগৰ আশংকা সম্পৰ্কে ব্যাখ্যা কৰে। তদুপৰি স্তনৰ কৰ্কট ৰোগৰ বাবে ল'বলগীয়া আগতীয়া সাৱধানতা সন্দৰ্ভত বিতংভাৱে ব্যাখ্যা কৰা হয়। এই সভাত কেইবাগৰাকীও সমল ব্যক্তিয়ে ভাষণ দিয়াৰ লগতে মহাবিদ্যালয়খনৰ অধ্যাপক-অধ্যাপিকা, ছাত্ৰ-ছাত্ৰীসকল উপস্থিত থাকে।

ooooo

আউনীআটি সত্ৰৰ সত্ৰাধিকাৰ ড০ শ্ৰীশ্ৰীপীতাম্বৰ দেৱ গোস্বামীৰ ৬৬ সংখ্যক জন্ম তিথিৰ সৈতে সংগতি ৰাখি পৰহি শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ আন্তঃৰাষ্ট্ৰীয় প্ৰেক্ষাগৃহত এক অভিনন্দন কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। গুৱাহাটী প্ৰেছ ক্লাবত আয়োজিত এখন সংবাদমেলত সদৌ অসম ভাওনা সন্মিলনৰ সভাপতি জয়ন্ত কুমাৰ ডেকাই কয় যে, এই অনুষ্ঠানত বিভিন্ন ক্ষেত্ৰৰ ৬৬ গৰাকী বৰেণ্য ব্যক্তি তথা গুৱাহাটীৰ কেইবাটাও পুৰণীকলীয়া নামঘৰ অনুষ্ঠানৰ লগতে মহানগৰীৰ ১০৮টা দিহানামৰ দলক অভিনন্দন জনোৱা হ'ব। সত্ৰৰ শিল্পীসকলৰ দ্বাৰা পৰিবেশিত মাটি আখৰাৰে আৰম্ভ হ'বলগীয়া এই অনুষ্ঠানত এক সহস্ৰাধিক আয়তীৰ দ্বাৰা দিহানাম পৰিবেশনৰ লগতে গীতি, নৃত্য-নাটিকা, কৃষ্টিৰ বৰঘৰ মাজুলী মঞ্চস্থ কৰা হ'ব।

ooooo

তিনিচুকীয়া জিলাৰ অসম-অৰুণাচল সীমান্তৱৰ্তী শদিয়াত শদিয়া আৰক্ষীৰ পৰিদৰ্শন পেৰেড আয়োজন কৰা হৈছে। চপাখোৱা চৰকাৰী খেলপথাৰত এই পৰিদৰ্শন পেৰেড অনুষ্ঠিত হয়। শদিয়াৰ আৰক্ষী অধীক্ষক জগদীশ দাসৰ লগতে শদিয়া আৰক্ষীৰ উচ্চ পদস্থ বিষয়াই এই পেৰেড কাৰ্যসূচীত অংশগ্ৰহণ কৰে।

ooooo

লখিমপুৰৰ নিবাসী তথা তেজপুৰ লোকসভা সমষ্টিৰ প্ৰাক্তন সাংসদ বৰ্ষীয়ান কংগ্ৰেছ নেতা ঈশ্বৰ প্ৰসন্ন হাজৰিকাই আজি দিল্লীৰ এখন চিকিৎসালয়ত শেষ নিশ্বাস ত্যাগ কৰে। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৮৭ বছৰ। বিগত কিছুদিন ধৰি কংগ্ৰেছ নেতাগৰাকী বৃক্ক আৰু হৃদৰোগত আক্ৰান্ত হৈ চিকিৎসাধীন হৈ আছিল। তেখেতৰ মৃত্যুত ৰাজনৈতিক জগতত শোকৰ ছাঁ পৰিছে।

ooooo

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত হ'বলগীয়া এখন খেলত কলকাতা নাইট ৰাইদাৰ্ছ গুজৰাট টাইটানছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

ooooo

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত হ'বলগীয়া এখন খেলত কলকাতা নাইট ৰাইদাৰ্ছ গুজৰাট টাইটানছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

ooooo

সমাপ্ত